থিয় হৈ চালাত আদায় কৰা, যদি নোৱাৰা তেন্তে বহি আদায় কৰা, যদি বহিও নোৱাৰা তেন্তে কাতি হৈ শুই শুই আদায় কৰা।

ইমৰাণ বিন হুচাইন ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মোৰ কেচুমূৰীয়া
বেমাৰ আছিল। সেয়ে মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামক নামাজ পঢ়া সম্পৰ্কে সুধিলোঁ। তেখেতে ক'লেঃ থিয় হৈ চালাত আদায় কৰা, যদি নোৱাৰা তেন্তে বহি আদায় কৰা, যদি বহিও নোৱাৰা তেন্তে কাতি হৈ শুই শুই আদায় কৰা। [ছহীহ] [(বুখাৰী)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, নামাজ মূলতে থিয় হৈ পঢ়িব লাগে, কিন্তু অক্ষমতা অৱস্থাতহে বহি পঢ়িব পাৰে। যদি বহি পঢ়িবলৈও সক্ষম নহয় তেন্তে তেওঁ কাতি হৈ শুই নামাজ পঢ়িব।

http://sunnah.global/hadeeth/as/show/10951